# 2021

## ASSAMESE

## ( Major )

Paper : 6.2

**( আধুনিক অসমীয়া কথাসাহিত্য )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৫=৫

(ক) হেমচন্দ্ৰ বৰুৱাই কাৰ ওচৰত হিন্দী ভাষা শিকিছিল?

(খ) ৰামচন্দ্ৰৰ প্ৰপিতামহ ৰঘুৰাজৰ দিনত কিহৰ নিমিত্তে কামৰূপ প্ৰসিদ্ধ আছিল?

(গ) বেদত পৰমব্ৰহ্মাৰ স্বৰূপ লক্ষণ কেনেদৰে নিৰ্দেশ কৰিছে?

(ঘ) 'আনন্দৰাম বৰুৱা : পাতনি' পাঠটোৰ লেখক কোন?

(ঙ) 'ৰত্নোদধি' কি আছিল?





২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) ''মহাপুৰুষীয়া ধৰ্মৰ লোকসকলৰ মতে তিনিখানি ৰাজ্যত দুজনা গুৰুৰ লীলা।'' ইয়াত উল্লেখ কৰা গুৰু দুজনা কোন কোন?

(খ) মুক্তাৰাম বৰুৱা কোন আছিল? কিহৰ নিমিত্তে তেওঁ প্ৰখ্যাত হৈছিল?

(গ) আনন্দৰাম বৰুৱাক কাৰ কাৰ বৰপুত্ৰ বুলি কোৱা হৈছে?

(ঘ) তক্ষশীলা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰা যি কোনো দুজন ছাত্ৰৰ নাম লিখা।

(ঙ) শ্ৰীধৰস্বামীয়ে কৃষ্ণ নামৰ পাৰিভাষিক অৰ্থ কেনেদৰে ব্যাখ্যা কৰিছে?

৩। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) ''সকলোয়ে ৰংগিনী বঙ্গীয়াক সংগিনী কৰি লৈছিল।'' কথাষাৰ বুজাই লিখা।

(খ) ''আনন্দৰাম বৰুৱা অসমৰো আচল বন্ধু।'' কথাষাৰ লেখকে কি প্ৰসঙ্গত কৈছিল, বুজাই লিখা।

(গ) 'সৌন্দৰ্যবোধ' পাঠটোত লেখকে 'আধ্যাত্মিক জগত'ৰ সৌন্দৰ্য মানে কি বুজাইছে, বিশ্লেষণ কৰা।

(ঘ) 'সৌমাৰ ভ্ৰমণ' পাঠটোত লেখকে 'বিজয়া দশমী'ত ভ্ৰমণৰ সপক্ষে কি কি যুক্তি আগবঢ়াইছে?

(ঙ) ব্ৰহ্মক আনন্দস্বৰূপ বুলিলে কি বুজায়, 'শ্ৰীকৃষ্ণ তত্ত্ব' পাঠৰ আধাৰত ব্যাখ্যা কৰা।

৪। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) ‘আত্মজীৱন চৰিত’ পাঠটোৰ যোগেদি লেখক হেমচন্দ্ৰ বৰুৱাৰ ব্যক্তিত্বৰ কোনবোৰ দিশ প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(খ) ভ্ৰমণ কাহিনী হিচাপে গুণাভিৰাম বৰুৱাৰ ‘সৌমাৰ ভ্ৰমণ’ পাঠটোৰ উল্লেখযোগ্য দিশসমূহ কি কি, ব্যাখ্যা কৰা।

(গ) ‘আনন্দৰাম বৰুৱা : পাতনি’ পাঠটোৰ আধাৰত আনন্দৰাম বৰুৱাৰ বহুমুখী প্ৰতিভাৰ চমু আভাস দাঙি ধৰি এখন ৰচনা লিখা।

(ঘ) প্ৰাচীন কালৰ শিক্ষাৰ সৈতে আজিকালিৰ শিক্ষাৰ মৌলিক পাৰ্থক্যসমূহ কি কি, আলোচনা কৰা।

(ঙ) অসমীয়া গদ্য সাহিত্যৰ পৰম্পৰাত নীলমণি ফুকনৰ গদ্যৰীতিৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি, ‘সৌন্দৰ্যবোধ’ পাঠৰ আলমত ব্যাখ্যা কৰা।

★★★

## 2021

### ASSAMESE

( Major )

Paper : 6.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ লিখা ঃ ১×৫=৫

(ক) 'সুৰভি' নামৰ গল্প-পুথিখনৰ ৰচক কোন?

(খ) 'ৰে বড়ে ভাই' নামৰ গল্পটিৰ গল্পকাৰজন কোন?

(গ) সৌৰভ কুমাৰ চলিহাৰ কোনটো গল্পত সুৰিয়েলিষ্টিক ধাৰণা প্ৰকাশ পাইছে?

(ঘ) 'জোনাকী' আলোচনীত প্ৰকাশিত প্ৰথম অসমীয়া উপন্যাসখনৰ নাম কি?

(ঙ) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই কোনখন উপন্যাসৰ বাবে জ্ঞানপীঠ বঁটা লাভ কৰিছিল?





২। চমুকৈ উত্তৰ লিখা ঃ ২×৫=১০

(ক) জোনাকী যুগৰ মানুহ আৰু প্ৰকৃতিৰ নিবিড় সম্পৰ্ক প্ৰকাশ পোৱা দুটা গল্পৰ নাম লিখা।

(খ) আৱাহন যুগৰ চুটিগল্পৰ দুটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰা।

(গ) ভবেন্দ্ৰনাথ শইকীয়াৰ চুটিগল্পৰ দুটা ঘাই বিশেষত্ব কি কি?

(ঘ) বিৰিঞ্চি কুমাৰ বৰুৱাই কি কি ছদ্মনামত উপন্যাস ৰচনা কৰিছিল?

(ঙ) দ্বিতীয় বিশ্বযুদ্ধ আৰু ভাৰতৰ স্বাধীনতা আন্দোলনৰ পটভূমিত ৰচনা কৰা দুখন উপন্যাসৰ নাম লিখা।

৩। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৩=১৫

(ক) চৈয়দ আব্দুল মালিকৰ চুটিগল্পত সামাজিক সচেতনতা কেনেদৰে প্ৰকাশ পাইছে, চমুকৈ বিচাৰ কৰা।

(খ) 'ব্যৰ্থতাৰ দান' গল্পটোৰ প্ৰধান নাৰী চৰিত্ৰটিৰ চাৰিত্ৰিক বৈশিষ্ট্য চমুকৈ লিখা।

(গ) 'সখা দামোদৰ' গল্পটিৰ মাজেৰে অসমীয়া সমাজ-জীৱনৰ কি কি দিশৰ প্ৰতিফলন ঘটিছে, চমুকৈ লিখা।

(ঘ) অসমীয়া জীৱনীমূলক উপন্যাস সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

(ঙ) অসমীয়া আঞ্চলিক উপন্যাস সন্দৰ্ভত এটি আলোচনা যুগুত কৰা।

৪। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×৩=৩০

(ক) অসমীয়া গল্প-সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱাৰ স্থান নিৰূপণ কৰি তেওঁৰ গল্পৰ সাধাৰণ বৈশিষ্ট্যসমূহ বিচাৰ কৰা।

(খ) চুটিগল্পৰ কলা-কৌশলৰ বিভিন্ন দিশ লক্ষ্মীধৰ শৰ্মাৰ 'ব্যৰ্থতাৰ দান' গল্পটিৰ মাজেৰে কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(গ) ৰামধেনু যুগৰ গল্পৰ বিশেষত্বসমূহ 'অবিনাশী স্বপ্ন' গল্পটিত কেনেদৰে ফুটি ওলাইছে, আলোচনা কৰা।

(ঘ) অসমীয়া ঐতিহাসিক উপন্যাসৰ পৰিপুষ্টিসাধনত ৰজনীকান্ত বৰদলৈৰ অৱদান সম্পৰ্কে বহলাই লিখা।

(ঙ) আধুনিকতাবাদী উপন্যাসৰ লক্ষণ পৰিস্ফুট হোৱা যি কোনো এখন অসমীয়া উপন্যাসৰ বিষয়ে তোমাৰ অভিমত ব্যক্ত কৰা।

★ ★ ★

# 2021

## ASSAMESE

## ( Major )

Paper : 6.6

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

শাখা—ক

১। অতি চমুকৈ উত্তৰ দিয়া ঃ ১×৫=৫

(ক) গ্ৰীক আৰু লেটিনৰ লগত সংস্কৃতৰ ঘনিষ্ঠ সম্পৰ্ক থকা বুলি কোনগৰাকী ভাষাবিদে প্ৰথমে মন্তব্য কৰিছিল?

(খ) ভাষাবিজ্ঞানৰ যি কোনো এটা বাহ্যিক বিভাগৰ (extrinsic division) অন্তৰ্গত শাখাৰ নাম লিখা।

(গ) আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ মূল ভেটি ৰ'মিক লিপিৰ উদ্ভাৱক কোন?

(ঘ) শব্দৰ অৰ্থোৎকৰ্ষৰ এটা উদাহৰণ দিয়া।

(ঙ) 'ধ্বনি-বিজ্ঞানৰ ভূমিকা' শীৰ্ষক গ্ৰন্থখনৰ ৰচক কোন?





২। চমু উত্তৰ দিয়া ঃ ২×৫=১০

(ক) ভাষাৰ ন্যূনতম আৰু বৃহত্তম উপাদান দুটা কি কি?

(খ) 'ধাননি' শব্দত সংযুক্ত মুক্ত আৰু বদ্ধ প্ৰাকৃতি দুটা কি কি?

(গ) ভাষাতত্ত্ব আৰু ঐতিহাসিক ভাষাবিজ্ঞানৰ দুটা পাৰ্থক্য উল্লেখ কৰা।

(ঘ) লোকব্যুৎপত্তিৰ কাৰণে হোৱা শব্দাৰ্থ পৰিৱৰ্তনৰ দুটা উদাহৰণ দিয়া।

(ঙ) *Aspects of the theory of Syntax* গ্ৰন্থখনৰ ৰচক কোন আৰু গ্ৰন্থখন কিমান চনত প্ৰকাশ হৈছিল?

৩। চমু টোকা লিখা (যি কোনো **তিনিটা**) ঃ ৫×৩=১৫

(ক) উচ্চাৰণকৰণ (articulator) আৰু উচ্চাৰণৰ স্থান (points of articulation)

(খ) এককালিক (synchronic) আৰু কালক্ৰমিক (diachronic) ভাষাবিজ্ঞান

(গ) অনুক্ৰম (segmental) আৰু উপহিত (supra-segmental) বৰ্ণ

(ঘ) শব্দাৰ্থ পৰিৱৰ্তনত কুসংস্কাৰৰ প্ৰভাৱ

(ঙ) সাৰবাক্য (kernal sentence)

শাখা—খ

৪। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ কৰা ঃ

(ক) ভাষাবিজ্ঞানৰ আভ্যন্তৰীণ (intrinsic) শাখা-বিভাজন বুলিলে কি বুজা? বৰ্ণনামূলক ভাষাবিজ্ঞান আৰু তুলনামূলক ভাষাবিজ্ঞানৰ প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা। ২+৪+৪=১০

(খ) ধ্বনিতত্ত্ব (phonology) আৰু ধ্বনিবিজ্ঞানৰ (phonetics) সম্পৰ্ক বিচাৰ কৰি ধ্বনিবিজ্ঞানৰ শ্ৰেণী-বিভাজন সম্বন্ধে বিতংকৈ বৰ্ণনা কৰা। ৩+৭=১০

(গ) আকৃতি (morph) প্ৰাকৃতি (morpheme) আৰু উপাকৃতিৰ (allomorph) সংজ্ঞা দাঙি ধৰি আকৃতি বা উপাকৃতিৰ পৰা কেনেদৰে প্ৰাকৃতি নিৰ্ণয় কৰিব পাৰি, উদাহৰণসহ দেখুৱাই দিয়া। ৬+৪=১০

(ঘ) শব্দাৰ্থ বিজ্ঞান (semantics) কাক বোলে? শব্দাৰ্থ পৰিৱৰ্তনৰ ত্ৰিধাৰা সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা। ২+৮=১০

(ঙ) বাক্যতত্ত্বত পদৰ ৰূপগত যোগ্যতা আৰু সুৰলহৰৰ ভূমিকা সম্পৰ্কে বিতংকৈ আলোচনা কৰা। ৫+৫=১০

★★★